| ক্ৰমিক সংখ্যা | স্বৰ্গদেৱৰ নাম | ৰাজত্বৰ আৰম্ভণি হিন্দু শক | | ইংৰাজী চন |
|---|---|---|---|---|
| ২৬। | দিহিঙ্গীয়া ৰজা সকজনা, অৰ্জ্জুন, চুজিনফা | ১৫৯৬, | মাঘ ৮। | ১৬৭৫। |
| ২৭। | পৰ্ব্বতীয়া ৰজা, চুডৈফা, থামজিং | ১৫৯৯, | বহাগ ১৭। | ১৬৭৭। |
| ২৮। | লৰাৰজা, চুলিকফা, ৰত্নধ্বজসিংহ। | ১৬০১, | আঘোণ ২০। | ১৬৭৯। |
| ২৯। | গদাধৰসিংহ, চুপাতফা, লাঙ্গি। | ১৬০৩, | শাওণ ২০। | ১৬৮১। |
| ৩০। | ৰুদ্ৰসিংহ, চুখ্ৰংফা, লাইপম। | ১৬১৭, | ফাগুন ১৪। | ১৬৯৬। |
| ৩১। | শিৱসিংহ, চুতনফা, চেংদন। | ১৬৩৬, | ভাদ ১৪ | ১৭১৪। |
| ৩২। | প্ৰমত্তসিংহ, চুনেনফা, চেংপম। | ১৬৬৬, | আঘোণ ২৫। | ১৭৪৪। |
| ৩৩। | ৰাজেশ্বৰসিংহ, চুৰেমফা, ৰমানাথ। | ১৬৭৩, | আহিন ৩০। | ১৭৫১। |
| ৩৪। | লক্ষ্মীসিংহ, চুন্যেওফা। | ১৬৯১, | জেঠ ২১। | ১৭৬৯। |
| ৩৫। | গৌৰীনাথসিংহ; চুহিতপংফা, লোকনাথ | ১৭০২, | পুহ ১। | ১৭৮০। |
| ৩৬। | কমলেশ্বৰসিংহ, চুক্লিংফা, কিনাৰাম। | ১৭১৭, | শাওণ ২৩। | ১৭৯৫। |
| ৩৭। | চন্দ্ৰকান্তসিহ, চুডিংফা। | ১৭৩২, | মাঘ ৬। | ১৮১১। |
| ৩৮। | পুৰন্দৰসিংহ। | ১৭৩৯, | ফাগুন ১১। | ১৮১৮। |
| ৩৯। | চন্দ্ৰকান্তসিংহ,দ্বিতীয়বাৰ। | ১৭৪০, | ফাগুন ২৫। | ১৮১৯। |
| (ক) | মানৰ দিন। মানেপতা ৰজা যোগেশ্বৰসিংহ। | ১৭৪২, | চ'ত ৩। | ১৮২১। |
| (খ) | বৃটিছৰ নামনি অসম অধিকাৰ। | ১৭৪৫, | চ'ত ১৪। | ১৮২৪। |
| (গ) | বৃটিছৰ উজনি অসম অধিকাৰ। | ১৭৪৬, | মাঘ ১৪। | ১৮২৫। |
| (ঘ) | ইয়াণ্ডাবু সন্ধি, মানৰ পৰা বৃটিছৰ অধীনলৈ অসম হস্তান্তৰ। | ১৭৪৭, | ফাগুন ১১। | ১৮২৬। |
| (ঙ) | পুৰন্দৰসিংহ, উজনি অসমৰ বৃটিছৰ কৰতলীয়া ৰজা। | ১৭৫৫, | বহাগ ১০। | ১৮৩৩। |
| (চ) | পুৰন্দৰসিংহৰ ৰাজ্যচ্যুতি। উজনি অসম কোম্পানীৰ ৰাজ্যৰ অন্তৰ্ভুক্তি। | ১৭৬০, | আহিন। | ১৮৩৮। |

# পৰিশিষ্ট—(খ)

## সাৰাংশ।

"সাতসৰী অসম বুৰঞ্জী"ৰ মূল বুৰঞ্জী সাতখনৰ ঘটনাৱলী আৰু বিষয়বস্তু পাঠকে ভালকৈ অনুসৰণ কৰাৰ সুবিধা হব বুলি তলত প্ৰতিখনৰে সাৰাংশ দিয়া হল :

**প্ৰথমখন বুৰঞ্জী**—দেশত অনীতি-অনাচাৰ হোৱাত দেৱৰাজ ইন্দ্ৰই নিজৰ দুই নাতি খুনলুং আৰু খুনলাইক সোণৰ জখলাৰে নমাই পৃথিবীলৈ পঠালে। তেওঁলোক আহি মুংৰিমুংৰামত ৰজা হৈ ৰলহি। এওঁলোকৰ সন্ততিসকলৰ দিনত ৰাজ্যত সুখ হল, পাল-পচা নাই, অদোষত দণ্ড নাই, দোষত দণ্ড। নতাৰজাৰ ভনীয়েকৰ গৰ্ভত দেৱপুত্ৰ চুখ্ৰাংফা জন্মিল। ভায়েক চুকাফাই ককায়েকক নিজ দেশত ৰজা হৈ থাকিবলৈ এৰি দি নামনি ৰাজ্যলৈ ওচি আহিল। বাটত আহোঁতে বহুত মানুহে লগ ললেহি। চুকাফাই নামৰূপও পাৰ হৈ খামজাং পালেহি। ৰজাদেৱে লগত অহা পণ্ডিতক আদেশ দিলে,—'যি মৰে, যাক পাওঁ, বাটত যি কথা হয়, পণ্ডিতে লিখি থব।' নকৈ লগ লোৱা মানুহৰ ভিতৰত চুটিয়া, মৰাণ, বৰাহী কছাৰী - এইসকলেই প্ৰধান। অসমৰ মানুহৰ লগত চুকাফাৰ লগৰীয়া মানুহৰ বিয়া বাৰু সম্বন্ধ হবলৈ ধৰিলে। সেইবেলাৰে-পৰা মানুহ মিহলি হল, আহোঁতে তিৰোতা নাই, এতিয়াহে তিৰোতা হল। বৰাহী মৰাণ আদিলৈ চুকাফাই বাৰ্ত্তা পঠিয়ালে,—"আমি উজনি ৰাজ্যৰ পৰা আহিছোঁ। আমি মিত্ৰ হব খোজোঁ। দিবোৰ হৈছে খানগিৰি, আমি আলহি। আমাক গাওঁ-ভূইখনিৰ পৰিচয় দিব লাগে।" বৰাহী মৰাণৰ ৰজা থামিথুমাই তেওঁলোকৰ দেওধৰৰ ওচৰৰ ভাল ঠাই বুলি কোৱাত চুকাফা ৰজাই তাতে নগৰ পাতিলে।

চুকাফাৰ বংশধৰ ত্যাওখামথি ৰজাৰ দিনত দেশত অন্যায় হল। প্ৰজা-সকলে সহিব নোৱাৰি ভায়েক চুচেঙ্ক ৰজা পাতিব খুজিলে। "মোক তেনে কৰিবি" বুলি চুচেঙে সংশয় কৰাত প্ৰজাসকলে "তেনে নকৰো" বুলি পুথুৰী খানি তাতে হাত জোৰোৱাই শপত কৰিলে। সেই ঠাইৰ নাম হল শপতকৰীয়া। চুহংমুং

দিহিঙীয়া ৰজাদেৱে নগা এটালৈ সগৰ্ত্তা কুঁৱৰী এগৰাকী দিলে। নগাৰ ঘৰত কোঁৱৰৰ জন্ম হল, নাম থলে কনুচেং। ৰজাদেৱে ৰাজপৰিয়ালৰ নাতি-পুতি চপাই আনি জীৱিকা দি পাতিলে, আৰু কোঁৱৰৰ নিৰন্ধ কৰিলে। পাচে চুটিয়া জিনি বিস্তৰ বস্তু পালে, কছাৰীও কৰতলীয়া হল, ভূঞাসকলকো বশ কৰি থানে-থানে পাতি থলে। তাৰ পাচত স্বৰ্গদেৱৰ সৈন্যই কৰতোয়া নৈলৈকে ৰাজ্য জয় কৰিলে। বেহাৰৰ ৰজা বিশ্বসিংহই আপুনি আহি ৰবিলে। গৌড় পাচ্চায়ো মিত্ৰতা কৰিলে। ভূঞাসকলে ৰজাৰ চ'ৰালৈ অহাযোৱা কৰি থাকিবলৈ ধৰিলে, তেওঁলোকে ৰাজকথা কলে, গঙ্গা-জগন্নাথৰ কথাও কলে। পাচে চুহুংমুং ৰজাৰে পুতেক গড়গঞা ডেকাৰজাৰে কন্দল লাগিল। ৰজাদেৱে খেদি যোৱাত পুতেক ডেকাৰজাই গাভৰুবোৰক আগকৈ পঠালে। ৰজাদেৱে বোৱাৰী-বোৰক দেখি বধ নকৰি গুচি আহিল। পাচে ডেকাৰজাই ধন লেহেতিয়াৰ হতুৱাই ৰজাদেৱক মৰালে।

ডেকাৰজা সিংহাসনত বহিল, এওঁ গড়গঞা ৰজা বুলি প্ৰখ্যাত। নগৰৰ চাৰিওফালে গড় মাৰিবলৈ ধৰোঁতে হেমনা বুলি এজন খেতিয়কে খেতিৰ মাটিয়েদি গড় বান্ধিবলৈ নিদিয়াত সেই খণ্ড গড় উদঙে থাকিল। হেমনা মৰিলতহে সেইছোৱা গড় বান্ধিব পাৰিলে। এতিয়ালৈকে সেই ঠাইডোখৰক হেমনবাৰী বোলে। দিখৌ নৈৰ দুইপাৰে হাবি আছিল। গড়গঞা ৰজাদেৱে তাত মানুহৰ বসতি পাতিলে। হাবি-বাট কাটি গাওঁ বহুৱা কামত মানুহে অতি পৰিশ্ৰম কৰিব লগাত পৰিছিল, ৰজাদেৱে কলে,—"দুখ কৰিলেহে সুখ হয়।" এওঁৰ মৰণাস্তে পুতেক খোৰাৰজা ৰজা হল। দিহিঙৰ বাটত পুখুৰী খানোতে আঠাসলোৱাই আঠোটা আঠাপুলি আনি ৰজাক ভেটিলে, তাৰেপৰা আঠাবাৰী গাওঁ নাম হল। চিলাৰাই যুদ্ধলৈ আহোঁতে আমাৰ মানুহক বামুণৰ লগুণ পিন্ধাই গৰুত তুলি ৰণলৈ পঠালে। ইয়াকে দেখি চিলাৰায়ে যুদ্ধ নকৰি নিজ দেশলৈ উভতি গল। নকৈ লগুণ পিন্ধাসকলে লগুণ সুগুচালে। স্বৰ্গদেৱে লেকাই চেটিয়া বৰবৰাক বিচাৰ কৰিবলৈ দিলে। কতো বামুণৰ লগুণ গুচিল, কতো অন্য জাতিৰ লগুণ থাকিল। সেইদেখি মানুহে কয়,—"লগুণৰ গিৰি লেকাই চেটিয়া।"

পিচ বছৰত চিলাৰায়ে আকৌ যুদ্ধ কৰিবলৈ আহিল। যুদ্ধত নোৱাৰি খোৰাৰজা চৰাইখোৰোং পৰ্ব্বতলৈ গল। পাচে কোচে ওলমাল পাই নিজ-

দেশলৈ উভতি গল। বৰগোহাঁএ্র উত্তৰে হাতী ধৰিবলৈ যোৱাত ভুঞাসকলৰ পোনে হাতী গল। তাতে ভুঞাইতক কাটিলে। বৈৰাগী এটা ধৰি আনি কুপ-কাপোৰ দি পঠালে। খোৰাৰজাৰ পুত্র প্রতাপসিংহ স্বৰ্গদেৱৰ দিনত শুকটী তামুলী বৰবৰা হৈ দিহিঙত মথাওৰি বান্ধিলে, যেচাঘৰ আদি ঠাইত পুখুৰী খানিলে, গড়গাওঁ যেৰাই বাঁহগড় কৰিলে। এই আপাহতে বৰবৰা নাম গুচাই শুকটী তামুলীক বৰবৰুৱা পাতিলে। তাৰ পাচত যোগলৰে ৰণ লাগিল। স্বৰ্গদেৱে মহেশ্বৰ দেৱতাক স্তুতি কৰিলে যুদ্ধ জয়ৰ কাৰণে। ভড়ৰীৰ ৰণত অসমৰ জয় হল। শুকটী তামুলী বৰবৰুৱা, ফুল বৰুৱা আৰু পিকচায়ে গাওঁবোৰ নকৈ সংগঠন কৰিলে, তাৰ লগতে হাট ঘাট কাট আৰু মুগাচোঙৰ কাটল লগালে, তেতিয়াৰপৰাহে কাটল হল। প্রতাপসিংহ স্বৰ্গদেৱৰ পাচত ভগাৰজা, আৰু তাৰ পাচত নৰিয়াৰজা, তাৰ পাচত জয়ধ্বজসিংহ ৰজা সিংহাসনত বহিল।

জয়ধ্বজসিংহ স্বৰ্গদেৱে পদ্মপুৰাণৰ জনকৰ আখ্যানৰ পদ কৰিলে, আৰু অন্য পদ পয়াৰো ৰচিলে। যোগলৰ সেনাপতি মীৰজুমলাই অসম আক্রমণ কৰাত স্বৰ্গদেৱে পেচকচ দিবলৈ সম্মতি জনায়, পেচকচ পাই যোগলে অসম এৰি গল। চক্রধ্বজসিংহ স্বৰ্গদেৱে যোগলক ৰণত জিনিলে। উদয়াদিত্যসিংহ স্বৰ্গদেৱে কালজৰীয়া লোকক বৈৰাগী এজনৰ ভকত হবলৈ কোৱাত ডেবেৰাই ৰজাক মাৰি তাৰেক সৰুজনা গোহাঁইক ৰজা পাতিলে, ৰজা হৈ নাম ললে ৰামধ্বজসিংহ। ডেবেৰাৰে বিৰোধ লগাত ৰজাক দবৰৰ লগত বিহ খুৱাই মাৰিলে। ডেবেৰাই ভালেমান কোঁৱৰ অৰু ফুকনকো মাৰিলে। এইৰূপে কটামৰা শুনি ৰাজ্য ভাগি দিহাদিহি পলাই যাব ধৰিলে। পাচে ডেবেৰাই চামগুৰীয়া কোঁৱৰ এজনক ৰজা পাতি, তেওঁক মাৰি তুংখুঙীয়া কোঁৱৰ এজনক সিংহাসনত বহুৱালে।

ডেবেৰাৰ অকাৰ্য্যৰ কথা শুনি গুৱাহাটীত থকা আতন বুঢ়াগোহাঁই আৰু ফুকনসকলে উজাই গৈ ডেবেৰাক মাৰিলে, তুংখুঙীয়া কোঁৱৰকো মাৰিলে। শৰাইঘটীয়াসকলে দিহিঙীয়া কোঁৱৰক ৰজা পাতিলে। বুঢ়াগোহাঁইৰ লগত ৰজাৰ বিৰোধ হোৱাত গুৱাহটীয়া ফুকনসকলক আনি কটাবিধামত ৰজাৰ বিৰুদ্ধে ৰণ কৰিলে। ৰজা হাৰিলত তেওঁক ধৰি মাৰিলে। ছেদ ১—১০২।

দ্বিতীয়খন বুৰঞ্জী—বশিষ্ঠ মুনিৰ শাপত স্বায়া অপেশ্বৰীয়ে মনুষ্যদেহে

জন্ম লৈ চেংদাম নড়াৰাজ্যৰ কুঁৱৰা হলগৈ। ইন্দ্ৰবীৰ্য্যে কুঁৱৰীৰ এটি পুত্ৰ জন্মিল, নাম থলে স্বৰ্গনাৰায়ণ। চেংডাম ৰজাৰ মৃত্যুত স্বৰ্গনাৰায়ণ নড়াৰাজ্যৰ অধিপতি হল। বড়নড়াৰ আইঙ্কান ৰজাই পণ্ডিত পঠিয়াই স্বৰ্গনাৰায়ণক শাস্ত্ৰ-নীতি শিকালে। ৰজাৰ দুই পুত্ৰ খুনলু আৰু খুনলাই মুংৰিমুংৰাম পৰ্ব্বতত আছিল। স্বৰ্গনাৰায়ণ স্বৰ্গী হলত মন্ত্ৰীসকলে এই দুই কোঁৱৰক আনি মুংৰি-মুংৰামত ৰজা পাতিলে। আইঙ্কান ৰজাই পণ্ডিত পঠিয়াই এওঁলোককো ৰাজনীতি শিকালে। কতোদিনৰ পাচে মুংৰিমুংৰামৰ পৰা লাইডাই ৰাজ্যলৈ গল। মনডাম নামে নগা এটা বানভ্যাও ৰাজ্যত ৰজা হৈছিল। তেওঁৰ দিনত অনেক অন্যায় অধৰ্ম্ম হোৱাত পাত্ৰমন্ত্ৰীসকলে খুনলাইৰ ৰবপুতেকক ৰজা পাতিলে। লাইডাই ৰাজ্যত খুনলুং খুনলাই দুয়ো ৰজা হৈ কতোদিন আছিল। মন্ত্ৰীসকলে পৰীক্ষা চাই খুনলাইক প্ৰধান ৰজা পাতিলে, খুনলুঙে অসন্তোষ কৰি গুচি গল। খুনলাইৰ বংশধৰ ত্যাওখুনৰ চুকাফা নামে এটি পুত্ৰ হল, যাকৰ নাম ব্ৰকথামচেন।

চুখ্ৰাংফাক ৰজা হবলৈ এৰি দি চুকাফা ভটিয়াই আহি, লগতে চোমদেও আৰু চেংদেও মূৰ্ত্তিক লৈ আহিল। পোনতে নগাৰ লগত যুদ্ধ লাগিল। নগাৰ সৈন্যৰে সৈতে চুকাফা দিহিঙে ভটিয়াই তিপাম পালেহি, তাৰ পাচত শলগুৰি, তাৰ পাচত দিখৌমুখ, তাৰ পাচত দিলিহৰমুখ, তাৰ পাচত চংটক, তাৰ পাচত শিমলুগুৰি, তাৰ পাচত নাকুৰীদেৱৰ ঘৰৰ পৰ্ব্বতৰ কাষৰত সৰুপৰ্ব্বতত বহিল। এজন জটাধাৰী পুৰুষৰ আদেশমতে মহাদেৱৰ পূজাৰ নিয়ম হল। চুকাফা স্বৰ্গদেৱে বৰাহীক ভাতৰন্ধা চাংমাই কৰি ললে।

চুকাফাৰ পাচৰ ৰজাসকলৰ দিনত কমতাৰে সৈতে মিত্ৰতা হল। ত্যাও-খামথি ৰজাৰ পাচত সাত বছৰ অৰাজ্য হৈ আছিল। ওপৰজনা দিহিঙ্গীয়া ৰজাৰ দিনত চুটিয়াৰে ৰণ লাগিল, চুটিয়া বশ হল, তেতিয়াৰে পৰা আহোমৰ বিষয়া এজন শদিয়াত অধিকাৰী হৈ থাকিব ধৰিলে। "কছাৰীৰ লগতে যুদ্ধ হল। কছাৰীক ধৰিব নোৱাৰি বৰা-বুঢ়াকে আগচি কলে, বোলে, কছাৰীক নাপালোঁ নাওবাটে তৰবাটে।" ছেদ ১০৩—১৪১।

তৃতীয়খন বুৰঞ্জী—দিহিঙ্গীয়া ৰজাই সগৰ্ত্তা কুঁৱৰী এগৰাকীক নগাৰ খুনবাও এটালৈ দিলে। নগাৰ ঘৰত কুঁৱৰীৰ পুত্ৰ জন্ম হল, স্বৰ্গদেৱে চাৰুলৈ আনি নাম দিলে কনচেং, বৰপাত্ৰ-গোহাঁই পাতিলে। তুৰবকৰ ৰণত

ফ্ৰাচেংমুং বৰগোহাঁই পৰিল, বৈৰীয়েক ৰজাজীও পৰিল। অসমৰ সৈন্যই শত্ৰুসৈন্যক কাটি-মাৰি খেদি নি কৰতোয়া গঙ্গাত খাওঁ পথালিলে। গৌড়েশ্বৰে নিজৰ কন্যা এটা দি অসমৰ স্বৰ্গদেৱৰে সৈতে মিত্ৰতা কৰিলে। কোচৰ বিশ্বসিংহই অপূৰ্ব্ব বস্তু আনি ৰখিলেহি, সেনাপতি গড়গঞা ডেকাৰজাই থাপি-সাঙ্কি থলে। উপহাৰৰ কন্যা লৈ দিহিঙ্গীয়া ৰজাৰে সৈতে পুতেক গড়গঞা ডেকাৰজাৰ বিৰোধ লাগিল। স্বৰ্গদেৱে ডেকাৰজাক খেদি গল। ডেকাৰজাই বৈৰীয়েকবোৰক অস্ত্ৰ-শস্ত্ৰ দি যুদ্ধলৈ পঠালে। বোৱাৰীসৈন্য অহা দেখি ৰজাই যুদ্ধ নকৰি গুচি গল। তাৰ পাচত তুৰবান লেহেতিয়াৰ হতুৱাই দিহিঙ্গীয়া ৰজাদেৱক মাৰি ডেকাৰজা সিংহাসনত বহিল। গড়গঞা ৰজাৰ পাচত খোৰাৰজা ৰজা হল।

বিশ্বসিংহৰ পুতেক নৰনাৰায়ণ ৰজা হৈ থাপিত-সাঙ্কিত নামটো গুচাৱৰ কাৰণে অসমদেশ মাৰিব খুজিলে। গো-ব্ৰাহ্মণ আৰু প্ৰাণীৰ পীড়া নোহোৱাকৈ কেনেকৈ অনাযুদ্ধে ৰাজ্য বশ কৰিব পাৰি তাৰ উপায় সোধাত শ্ৰীমন্ত শঙ্কৰদেৱে পৰামৰ্শ দিলে, বোলে, "সেই দেশৰ পাত্ৰ-মন্ত্ৰী প্ৰজা সকলকো সোণ-ৰূপ-বস্ত্ৰ-অলঙ্কাৰ দি ৰবাব লাগে।" সেই উপায়কে মানি চিলাৰায়ে ৰণ কৰাত অসমীয়া সৈন্যৰ পৰাজয় হল, খোৰাৰজা চৰাইখোৰোঙলৈ পলাই গল। অসমে ওলমাল দিবলৈ মান্তি হোৱাত চিলাৰায় নিজ দেশলৈ গল। অসমৰ ৰজাৰ পুতেক এটি, তিনিজনা ডাঙৰীয়াৰ তিনি পুত্ৰ কোচলৈ ওলৰূপে পঠিয়ালে। চিলাৰায়ৰ মহিষীসকলে অসমৰ লৰাকিটিৰ ৰূপ-গুণ আৰু যুৱা অৱস্থা দেখি তেওঁলোকৰ পিতৃ-মাতৃ ভাৰ্য্যা সন্তাপিত হৈছে বুলি স্বামীক কৈ নিজ দেশলৈ পঠিয়ালে।

খোৰাৰজাৰ মৃত্যুত প্ৰতাপসিংহ ৰজা হয়। কোচলৈ যোৱা লেতাও নামে আহোম কটকীয়ে ভালকৈ কথা কব নোৱাৰাত ৰজাদেৱে ব্ৰাহ্মণক কটকী পতাৰ নিয়ম কৰিলে। মোমাই-তামুলী বৰবৰুৱা ৰজাদেৱৰ বৰ বিশ্বাস-ভাজন হল। বৰবৰুৱাই পাইকৰ নিৱন্ধন কৰিলে। তাৰ পাচত কছাৰীৰ লগত ৰণ লাগিল, সেই যুদ্ধত অসমৰ সেনাপতি সোন্দৰ গোহাঁই পৰিল। মোগলৰে সৈতে ভড়ৰীৰ কোবত ৰণ হোৱাত মোগলৰ পৰাজয় হল। প্ৰতাপসিংহৰ পাচত ভগাৰজা, তাৰ পাচত নৰিয়া ৰজা, তাৰ পাচত জয়ধ্বজসিংহ ৰজা।

জয়ধ্বজসিংহ ৰজাৰ দিনত মোগলৰ সেনাপতি মীৰজুমলাই অসম আক্ৰমণ

কৰে। যোগলে অসমবাসীৰ কৰভাৰ গৈ গুচি যায়। গুৱাহাটী আৰু কামৰূপ মোগলৰ অধীনলৈ গল। চক্ৰধ্বজসিংহ ৰজা হৈ মোগলৰ সেও মানিবলৈ অস্বীকাৰ কৰিলে। মোগলৰপৰা গুৱাহাটী উদ্ধাৰ কৰিলে। উদয়াদিত্যসিংহ ৰজাৰ দিনত মোগলৰ সেনাপতি ৰামসিংহ আহি গুৱাহাটী বিচাৰিলে। অস্ত্ৰেৰে আক্ৰমণ আৰু ভেদনীতিৰ আশ্ৰয় লৈয়ো ৰামসিংহে এবছৰ যুঁজি গুৱাহাটী লব নোৱাৰিলে। পানীৰে যুদ্ধ হল, মোগলৰ মৰাশৰেৰে লুইতত জাজী প্ৰায় উটি গল। যুদ্ধে নোৱাৰি ৰামসিংহ ভটিয়াই গল। যাবৰ সময়ত ৰামসিংহে কলে, বোলে,—"অচমৰ সন্মুখে যি আহিব তাৰ গালত হাড়ীৰ ঝাটে কোবাব।"

উদয়াদিত্যসিংহ ৰজা বৈৰাগী এটাৰ ভকত হৈ আনকো ভকত কৰালে। পাচে মোৱামৰা, সোকাজান, শিলিখাতল, চেচামুখ, এই চাৰিখন সত্ৰৰ মহন্তক আনি ভকত কৰিব খোজাত সোকাজানৰ শিষ্য ডেবেৰায়ে উদয়াদিত্যক ৰজা ভাঙি ভায়েক সৰুগোহাঁইক ৰজা পাতিলে। ডেবেৰাই তেওঁক মাৰি পোনতে চামগুৰীয়া কোঁৱৰ, তাৰ পাচত ভুংখুঙীয়া কোঁৱৰ এজনাক ৰজা পাতিলে। গুৱাহাটীয়া বিষয়াসকলক মাৰিবলৈ ষড়যন্ত্ৰ কৰাত তেওঁলোকে বুঢ়াগোহাঁইক মুখ্য কৰি উজনিলৈ যাত্ৰা কৰিলে। এওঁলোকে গৈ ডেবেৰাক ধৰি মাৰিলে, ভুংখুঙীয়া কোঁৱৰকো ৰাজপদৰ পৰা গুচালে, আৰু দিহিঙীয়া কোঁৱৰক আনি ৰজা পাতিলে। ৰজা আৰু বুঢ়াগোহাঁইৰ বিৰোধ লগাত লগৰ ফুকন ৰাজখোৱা সকলোৱে সৈতে ৰজাক ধৰিবৰ মনেৰে গড়ৰ ভিতৰ সোমালগৈ। ৰজাদেৱে নিজ হাতে দুই-চাৰি মানুহ কাটিব ধৰিলে। বুঢ়াগোহাঁয়ে দোলাৰপৰা নামি আহিল। দোলাত মানুহ আছে বুলি ৰজাদেৱে এখা মাৰিলে। এনেতে বুঢ়াগোহাঁয়ে নগৰ এৰি আঁতৰি গল। শৰাইঘটীয়া সকলে ইয়াৰ বাৰ্ত্তা পাই বুঢ়াগোহাঁই থকা দেৰগাওঁ ৰাহৰলৈ আহিল। তাৰেপৰা গৈ দিহিঙীয়া ৰজাৰে যুদ্ধ কৰিলে। ৰজাদেৱ ভঙ্গ হৈ গড়গাৱলৈ আহিল। তাতে যোমাই-তামুলীৰ পুতেক ভাতধৰাই ৰজাদেৱক ছিৰৈৰে খুন্দি মাৰিলে। তাৰ পাচত চুডেকা পৰ্ব্বতীয়া ৰজা হল। যেচা বৰবৰুৱাই অকাৰ্য্য কৰাত তেওঁক বৰবৰুৱা ভাঙিলে। তাৰ পাচত পৰ্ব্বতীয়া ৰজাক চোৰে ঘৈয়ালে, কথামপিহে জীলে। বুঢ়াগোহাঁই ভাতৰীয়াই ৰজাৰ আজ্ঞা লৈ চিন্তামণি গড় বন্ধাৰ আয়োজন কৰিলে।

ইয়াৰ পাচত গুৱাহাটীৰ বৰফুকন লালুকে ভায়েকহঁতৰে আলচি ৰজৰ

চুবেদাৰ আজমতখালৈ বাৰ্ত্তা পঠিয়ালে, বোলে,—“মই গুৱাহাটী এৰি দিম, মোক অসম ৰাজ্যৰ অধিকাৰী কৰিব।” আজমতৰ মাত্তি হোৱাত লালুক বৰফুকনে চুবেদাৰ পঠোৱা মঞ্চুৰ-খাঁ নবাবক গুৱাহাটী এৰি দি কলীয়াবৰলৈ উজাই গল। আতন বুঢ়াগোহাঁই ভাণ্ডৰীয়াই সৈন্য লৈ আগবাঢ়ি অহাত বুঢ়াগোহাঁইহঁতে প্ৰমুখ্যে ফুকনসকলক লালুকে ধৰি বন্দী কৰি থলে। গড়গাঁৱলৈ উজাই গৈ লালুকে চুড়েফা পৰ্ব্বতীয়া ৰজাক ভাজি চামগুৰীয়া কোঁৱৰক ৰজা পাতিলে। ৰজাৰ আজ্ঞা লৈ লালুকে মানুহ পঠিয়াই কলীয়াবৰত আতন বুঢ়াগোহাঁইক মৰালে। তাৰ পাচত ৰজাৰ ভণ্ডাৰৰ বস্ত্ৰ-অলঙ্কাৰ পিন্ধি ৰজাৰ আড়ম্বৰেৰে বঙ্গালৰ কটকী তুলিলে। কতোদিন পাচে নগৰৰ মানুহে নগঞা ভোটাইৰ হাতে লালুকক বাতি থুচি মৰালে।

কলীয়াবৰত গোহাঁই ফুকনসকলে মেল পাতি গদাধৰসিংহক ৰজা পাতিলে। নতুন জনা ৰজাক লৈ বিষয়াসকলে গড়গাঁৱলৈ আহি চামগুৰীয়া ৰজাক মাৰিলে। গুৱাহাটীত থকা মোগলক আক্ৰমণ কৰি গুৱাহাটী কামৰূপ উদ্ধাৰ কৰিলে। কেবাজনো ফুকনে দ্ৰোহ আচৰাত তেওঁলোকক যথাশাস্তি দিয়া হল। স্বৰ্গদেৱৰ আজ্ঞাৰে বৈষ্ণৱ মহাজনসকলৰপৰা ডাবি-বান্ধি ধন আনিলে, আৰু অনেক লঘু লাঞ্ছনা কৰিলে।

গদাধৰসিংহৰ মৃত্যুত পুতেক ৰুদ্ৰসিংহ ৰজা হল। ৰজাদেৱে সৈন্য পঠিয়াই কছাৰী আৰু জয়ন্তা ৰজাক ৰংপুৰলৈ আনিলে। মোগলৰ ৰাজ্য আক্ৰমণ কৰাৰ মনেৰে স্বৰ্গদেৱে ভটিয়াই সসৈন্যে গুৱাহাটীলৈ আহিল। তাতে স্বৰ্গদেৱৰ মৃত্যু হল। বৰজনা পুতেক সিংহাসনত বহি শিৱসিংহ নাম ললে। স্বৰ্গদেৱৰ নাচনিয়াৰ ফুলমতীক ৰৰকুঁৱৰী পাতি বৰৰজা নাম দিলে। ফুলমতী ঢুকুৱাত ভনীয়েক দ্ৰৌপদীক পৰ্ব্বতীয়া কুঁৱৰী পাতিলে, এওঁৰ মৰণান্তে লাইথেপেনা বৰগোহাঁইৰ নাতিনীয়েক আকৰী গাভৰুক বৰকুঁৱৰী পাতিলে। শিৱসিংহ স্বৰ্গদেৱ স্বৰ্গী হলত ভায়েক প্ৰমত্তসিংহ ৰজা হল। ৰজা হোৱা সময়ত পুখুৰীপৰীয়া বুঢ়াগোহাঁই ডাকৰীয়াই ন-জনা ৰজাক উপদেশ দিলে—“তোমাক মহাপ্ৰভুৱে ৰাজপদ দিছে। সন্তক পালন, দুষ্টক দণ্ড, প্ৰাণীৰ সুখ-দুখ বিচাৰ, তোমাৰ ইহে ধৰ্ম্ম।” ১৬৬৭ শকৰ আহাৰৰ তিনিদিন যাওঁতে স্বৰ্গদেৱ শিৱৰীঘৰ উঠিল। সেই শকৰ ফাগুনত ৰাণী ৰজাৰ ৰূপ কটকীক বুড়াগোহাঁয়ে তুলিলে॥ ছেদ ১৪২—২৬১।

**চতুৰ্থখন বুৰঞ্জী।**—ওপৰজনা দিহিঙ্গীয়া ৰজা হৈ চুটিয়া আৰু ভূঞাক বশ কৰিলে। তাৰ পাচত তুৰবকৰ ৰণ লাগিল, সেই ৰণত ফ্ৰাচেংমুং বৰগোহাঁই পৰিল, ৰৈণীয়েক গাভৰুও পৰিল। কনচেং বৰপাত্ৰই অনেক ছল-ছলনা কৰি তুৰবকৰ মানুহক কাটি তজালে। কোচৰ বিশ্বসিংহ মিত্ৰভাবে ৰবি বশ হল। গৌড় পাচ্চায়ো মিত্ৰতা কৰিলে। অসমীয়া সৈন্যই কৰতোয়াত দোল বান্ধি মানাহত সীমা কৰিলে। গৌড়ৰ পৰা অনা কন্যাৰ কাৰণে দিহিঙ্গীয়া ৰজা আৰু পুতেক গড়গঞা ডেকাৰজাৰ বিৰোধ লাগিল। দিহিঙ্গীয়া ৰজাৰ পাচত গড়গঞা ৰজা, তাৰ পাচত খোৰাৰজা, এওঁলোকৰ বিষয়ে পুথিত পাত নাই।

খোৰাৰজাৰ পাচত পুতেক প্ৰতাপসিংহ ৰজা হল। ৰজাৰো সিংহপৰাক্ৰম গতি, চাৰিওফালৰ লোক কম্পমান হল। কছাৰী ৰণত সোন্দৰ গোহাঁই পৰিল। তাৰ পাচত মোগলৰ লগত যুদ্ধ লাগিল। বাহগড়াৰ গড় বন্ধাৰ আগাহত শুকটী তামুলী তিপমীয়া ৰাজখোৱাক বৰবৰুৱা পাতিলে। দেবগাৱঁত দল বন্ধাই সেবাইত নিৰন্ধকৈ দিলে। বৌমনীয়া দৈৱজ্ঞক ৰবভাণ্ডাৰৰ ৰকুৱা পাতি তেওঁৰ হতুৱাই হাট-ঘাট ফাট সোণোৱাল মূদৈ, ইয়াৰ ধনৰ নিৰন্ধ কৰিলে। প্ৰতাপসিংহৰ মৰণান্তে ভগাৰজা হল, তাৰ পাচত নৰিয়া ৰজা, তাৰ পাচত জয়ধ্বজসিংহ।

জয়ধ্বজসিংহ স্বৰ্গদেৱৰ দিনত মীৰজুমলাই অসম আক্ৰমণ কৰিলে। মোগলে গুলমাল পাই অসম এৰি গল। চক্ৰধ্বজসিংহ ৰজা হৈ মোগলক যুঁজি ছৈয়দ ফিৰোজ আৰু ছৈয়দ চানা নবাবক ধৰি আনিলে। ৰামসিংহ ৰজাৰে যুদ্ধ হল। চক্ৰধ্বজসিংহৰ মৰণান্তে উদয়াদিত্যসিংহ ৰজা হল। তেওঁ ৰাম-সিংহৰ যুদ্ধ জিকিলে। অদৃশ্য কৰ পৰা বৈৰাগী এটাৰ নিমিত্তে ৰজাদেৱে বাৰী এখন কৰিলে, তাকে বৈৰাগীবাৰী বোলে। শুদ্ৰ মহাজন আৰু আহোম লবাক বৈৰাগীৰ ভকত কৰিবলৈ খোজাত গজলাৰ শিষ্য দক্ষিণপটীয়া ডেবেৰাই উদয়াদিত্যক ৰজা গুচাই মকজনা গোহাঁইক ৰজা পাতিলে। তাৰ পাচত মকজনা গোহাঁই ৰজাক মাৰি চামগুৰীয়া কোঁৱৰ এজনাক ডেবেৰাই ৰজা পাতিলে, তেওঁক মাৰি তুংখুঙীয়া গোবৰ কোঁৱৰক সিংহাসনত বহুৱালে।

ডেবেৰাৰ অকাৰ্য্য বাঢ়ি অহাত গুৱাহটীয়া ফুকনসকলে আতন বুঢ়া-গোহাঁই ডাঙৰীয়াক কলে, বোলে, "ডেবেৰাৰ হাতৰপৰা আমাক ৰক্ষা কৰক," আৰু বুঢ়াগোহাঁইকে ৰজা পাতিবলৈ প্ৰস্তাৱ কৰিলে। এই প্ৰস্তাৱত বুঢ়া-

গোহাঁই ডাফলীয়া অমাত্তি হৈ কলে, বোলে, "মহৰ পিৰা নগৰ কানমাৰিয়ে নসয়, ৰামুণৰ সগুণ শূদ্ৰই কেনেকৈ বব?" শবাইঘটীয়াসকলে উজাই আহি ডেৰেৰাক ধৰি মাৰিলে। অৰ্জ্জুন গোহাঁইক আনি ৰজা পাতিলে, এওঁকে সকদিহিঙ্গীয়া ৰজাও বোলে। কিছুদিনৰ পাচত অৰ্জ্জুন ৰজা আৰু বুঢ়াগোহাঁইৰ বিৰোধ লাগিল। ডাফলীয়াক লৈ নগৰ মানুহে ৰজাক ধৰিবলৈ ৰাতি নগৰ সোমোৱাত ৰজাই নিজে তৰোৱাল লৈ কিছু মানুহ কাটিলে। বুঢ়াগোহাঁই ডাফলীয়াই নগৰ এৰি জাঁতৰি গল। বুঢ়াগোহাঁইক আনিবলৈ ৰজাদেৱে মানুহ পঠিয়ালে, তথাপি ডাফলীয়া নাহিল, দেৰগাওঁ বাহৰত বলহি। গুৱাহাটিৰ পৰা লালুক বৰফুকন আদি বিষয়াসকলে বুঢ়াগোহাঁইৰ বিপত্তিৰ বাৰ্ত্তা শুনি দেৰগাৰ লৈ আহিল। দুয়োপক্ষৰে যুদ্ধ হল। ৰজা হাৰি গড়গাৱঁলৈ আহিল। তাতে ভাতধৰা ফুকনে ৰজাদেৱৰ চকু কাঢ়িলে, ৰজাদেৱে কপালত শিল মাৰি আপুনি প্ৰাণবিয়োগ কৰিলে।

সকদিহিঙ্গীয়া ৰজাৰ মৰণান্তে চুডৈফা পৰ্ব্বতীয়া ৰজা সিংহাসনত ৰহিল। মেচা বৰবৰুৱাই ডাফলীয়া আৰু বিষয়াসকলক অসন্তোষ দিয়াত তেওঁক বৰবৰুৱা ভাঙ্গি ঘৰলৈ খেদিলে। চোৰে ৰাতি ৰফাৰেক বৈয়ালে, কোনোমতেহে প্ৰাণ ৰক্ষা পৰিল। গড়গাৱঁত ঘটা এইবোৰ কথাৰ বাৰ্ত্তা পাই গুৱাহাটীৰ বৰফুকন লালুকে ৰজৰ চুবেদাৰ আজমতৰাৰে মিত্ৰ হৈ মফুৰ খাঁ নবাবক বিনাযুদ্ধে গুৱাহাটী এৰি দিলে। বাঁহগড়ীয়া বুঢ়াগোহাঁয়ে সৈন্য লৈ ভটিয়াই অহাত লালুক বৰফুকনে ধৰি কলীয়াবৰত বন্দী কৰি থলে। পাচে বৰফুকনে বুঢ়াগোহাঁইক সবংশে মাৰিলে। তেতিয়াৰে পৰা লালুকে স্বয়ং প্ৰবৰ্ত্তিবলৈ ধৰিলে। চুদৈফা ৰজাক মাৰি চামগুৰীয়া কোঁৱৰক সিংহাসনত বহুৱালে। বৰফুকনে নগৰ মতুহক গোসাঁনীলৈ বলি দিবলৈ খোজাত সিহঁতে যোত্ৰ হৈ বৰফুকনক শুই থকাতে কাটিলে। চামগুৰীয়া ৰজাক মাৰি গদাধৰসিংহ ৰজা হল।

ৰজা হৈ ইটাখুলিত মোগলক হৰুৱাই গুৱাহাটী ললে। কিছুমান ফুকনে দ্ৰোহ আচৰাত তেওঁলোকক ধৰি মাৰিলে। তাৰ পাচত ঠাকুৰীয়া মহন্ত-সকলক নাযৰূপত নি অপমাত কৰিলে, ব্ৰাহ্মণীয়া সকলক বচা-টোকলাইত পাতিলে। ৰূপাই দা-ধৰাই গোচৰ দিয়াত আজান ফকিৰৰ চকু কাঢ়িলে, পাচত ফকিৰৰ মহিমা দেখা পাই ৰজাদেৱে মাট-মানুহ দি সন্মান কৰিলে।

গদাধৰসিংহৰ মৰণান্তে পুতেক ৰুদ্ৰসিংহ সিংহাসনত বহিল। মানাহ-লৈকে সীমা কৰি ব্ৰাহ্মণ মহন্তসকলক আনি মহোৎসৱ কৰি দান-দক্ষিণা কৰিলে। কছাৰী আৰু জয়ন্তা ৰজাই বিশ্বনাথত স্বৰ্গদেৱৰ মিলিলেহি। মোগল ৰাজ্য আক্ৰমণ কৰিবৰ মনেৰে ৰুদ্ৰসিংহ মহাৰাজে অম্বেৰৰ ৰজা আৰু কোচবেহাৰৰ ৰজালৈ মিত্ৰভাবে লিখিলে, বোলে, “মোৰ সহায় হৈ ভাটীৰ কালৰ পৰা ভৰ দিব, মই দিল্লী উঠাই দিম।” অম্বেৰৰ ৰজাই সকলো হিন্দু-ৰজালৈ কথা হৈ মিলাই কৈ পঠোৱাত স্বৰ্গদেৱে দিল্লীক সমুখাই সৈন্য-সামন্ত লৈ গুৱাহাটীলৈ আহিল। কোনোবাই কুকৃত্য কৰাৰ ফলত গুৱাহাটী বাহৰত স্বৰ্গদেৱৰ মৃত্যু হল। ৰৰজনা পুতেক ৰজা হল, নাম ললে শিৱসিংহ। গায়নৰ জীয়ৰী ফুল প্ৰধান হৈ ৰৰজনা নাম লৈ মোহৰ মাৰিলে। গোপালদেৱৰ পন্থৰ সকলো মহন্তক গোঁসানী সেৱা কৰাই মʼহৰ তেজ গাত ঘঁহিলে, প্ৰসাদো খুৱালে। মটকৰ বিদ্ৰোহৰ আদি বীজ সেয়ে হল। ফুল কুঁৱৰীৰ মৃত্যুত অনীয়েক দ্ৰৌপদীক ৰৰকুঁৱৰী পাতি অম্বিকা নাম দিলে। এওঁৰ মৰণান্তে এনাদৰীক আনি ৰৰকুঁৱৰী পাতিলে।

শিৱসিংহ স্বৰ্গদেৱৰ পাচত প্ৰমত্তসিংহ। এওঁ কেৰাঠাইতো ইটাৰ ঘৰ আৰু মঠ-মন্দিৰ কৰিলে। এওঁৰ মৰণান্তে ভায়েক ৰমানাথ গোঁহাইদেৱ সিংহাসনত বহিল, নাম ললে ৰাজেশ্বৰসিংহ। এওঁৰ পাচত লক্ষ্মীসিংহ ৰজা হোৱাত মৰাণে স্বৰ্গদেৱক খেদি ৰমাকান্তক ৰজা পাতিলে। কীৰ্ত্তিচন্দ্ৰ ৰৰ-ৰুৱাক শালত দিলে। ৰৰগোহাঁই, বুঢ়াগোহাঁই ৰৰফুকনক মাৰিলে। স্বৰ্গদেৱ লক্ষ্মীসিংহৰ পক্ষৰ মানুহ যোত্ৰ হৈ বাঘ মৰাণ, ৰমাকান্ত আৰু নাহৰ খোৰাক মাৰি লক্ষ্মীসিংহক আকৌ সিংহাসনত বহুৱালে। তাৰ পাচত চাৰু গেণ্ডেলা; ভদ্ৰসেন ৰৰবৰুৱা আৰু চুটিয়া চৰায়ে স্বৰ্গদেৱৰ বিৰুদ্ধে দ্ৰোহ আচৰিলে। লক্ষ্মী-সিংহৰ মৰণান্তে পুতেক গৌৰীনাথসিংহ ৰজা হল। মোৱামৰীয়াৰ প্ৰতাপত ৰংপুৰত ৰব নোৱাৰি স্বৰ্গদেৱে নাৱেৰে ভটিয়াই গুৱাহাটীলৈ আহিল। ৰাজেশ্বৰসিংহ স্বৰ্গদেৱৰ পুতেক কিছুদিন ৰজা হৈ আছিল, তেওঁকো শিৱসাগৰৰ কোষতে কোনোবা দুষ্ট মানুহে কাটিলে। পাচে মণিপুৰীয়া সৈন্য আহি যুদ্ধ দিয়াত ৰণে নোৱাৰি নিজ দেশলৈ গল। দিচৈৰ কোঁঠত কুঁৱৰীগঞা বুঢ়াগোহাঁই থাকিল। ছেদ ২৬২—২৮১॥

পদ্মনাথৰ বুৰঞ্জী।—কামৰূপৰ কাৰণে মোগলৰে সৈতে সদায় কন্দল হৈ

থকাত জয়ধ্বজসিংহ মহাৰাজে কামৰূপ ৰাজ্য ভাঙ্গি তাৰ ৰজা-ৰঙ্কক সহিতে সমস্ত লোকক তোলাও কৰি উজনি অসমলৈ আনিলে। ইয়াৰ পাচত মোগলৰ সেনাপতি মীৰজুমলা নবাবে গুৱাহাটী বিচাৰিলে। অসমে গুৱাহাটী এৰি নিদিয়াত মীৰজুমলাই সসৈন্যে অসম সোমাই পাণ্ডু-শৰাইঘাট ললেহি, তাৰ পৰা চামধৰা গড় অধিকাৰ কৰি উজাই যাব ধৰিলে। স্বৰ্গদেৱে গড়গাওঁ এৰি নামৰূপলৈ গল। মোগলে গড়গাওঁ অধিকাৰ কৰিলে। কিছুদিন ৰণ-বিগ্ৰহ হৈ থকাৰ পাচত মোগলৰ লগত সন্ধি হল। অসমে সোণ-ৰূপ জাইগিৰি ধন অৰ্দ্ধেক দিলে, অৰ্দ্ধেক থাকিল। মোগলৰ কটকীয়ে পাচ্চাৰ পৰা চিৰপাও কাপোৰ স্বৰ্গদেৱলৈ অনাত ৰজাদেৱে কলে, বোলে,—"পাচ্চাৰ কাপোৰ যে লৰ লগাত পৰিল তাতোকৈ মৰণেহে ভাল।" কটকী আহি পোৱাৰ আগতে জয়ধ্বজসিংহ স্বৰ্গদেৱৰ মৃত্যু হল। চক্ৰধ্বজসিংহ ৰজা হৈ ৰজাশহুৰ ৰাজমন্ত্ৰী ফুকনৰ দ্ৰোহ দমন কৰিলে। তাৰ পাচত স্বৰ্গদেৱে বঙ্গালক ধৰিবৰ মনেৰে লাচিতক বৰফুকন পাতি গুৱাহাটীলৈ সৈন্য পঠিয়ালে। ইটাখুলিত অসমে বঙ্গালক হৰুৱাই চৈয়দ চানা আৰু চৈয়দ ফিৰোজ নবাবক ধৰি আনিলে। কৌপতীয়া কটকীয়ে গৈ স্বৰ্গদেৱক এই বাৰ্ত্তা জনালে॥ ছেদ ২৮২ - ৩০২॥

**ষষ্ঠখন বুৰঞ্জী।**—গৌৰীনাথসিংহৰ মৰণান্তে কমলেশ্বৰসিংহ ৰজা হল। মটকে পুনৰ বিদ্ৰোহ আচৰিবলৈ ধৰিলে। বুঢ়াগোহাঁই ডাঙ্গৰীয়াই অসমীয়া সৈন্যক কোম্পানীৰ আহিৰে শিকাই-বুজাই ললে। সেই চিপাহীয়ে গৈ মটকৰ বৰসেনাপতিক ধৰিলে, শণ্ডল-কণীপৰা ৰজা পলাই সাৰিল, পীতাম্বৰ মহন্তক ধৰি আনিলে, ভৰথী ৰজা গুলি খাই মৰিল। তাৰ পাচত শদিয়াত ৰণ ওলাল। পানীয়ুৱাই স্বৰ্গদেৱ আৰু বুঢ়াগোহাঁইক ধৰিবৰ ষড়যন্ত্ৰ কৰাত তাক ধৰি মাৰিলে, লগৰ মানুহকো কাটিলে। বুঢ়াগোহাঁই ডাঙ্গৰীয়াই যোৰহাটত ন-নগৰ পাতিলে। নগাৱঁত মটকে দ্ৰোহ কৰাত ডেকাফুকনে সেই দ্ৰোহ দমন কৰিলে। ১৭২৭-১৭২৮, এই দুই শকত দেশত কিছু পৰিমাণে শান্তি আছিল।

কমলেশ্বৰসিংহৰ মৰণান্তে ভায়েক চন্দ্ৰকান্তসিংহ ৰজা হল। স্বৰ্গদেৱে সত্ৰাম চাৰিঙ্গীয়া ফুকনক বিশেষকৈ মৰম কৰা দেখি বুঢ়াগোহাঁই ডাঙ্গৰীয়াই অসন্তোষ পালে। অন্য মানুহৰে লগ লাগি বুঢ়াগোহাঁইৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰাত সত্ৰামকে আদি কৰি সকলো অপৰাধীক যথাবিধি শাস্তি দিয়া হল। বৰফুকন বদনচন্দ্ৰৰে সৈতে বুঢ়াগোহাঁইৰ কন্দল লগাত বৰফুকনক ধৰিবলৈ মানুহ

পঠিয়ালে। বদনচন্দ্ৰই গুৱাহাটী এৰি পলাই গৈ বঙ্গদেশত সোমাই কোম্পানীৰ বৰচাহাবৰ সহায় খুজিলে। চাহাবৰ পৰা ভাল সন্নিধান নাপাই বৰফুকনে মানদেশলৈ গৈ বৰ্ম্মা-ৰজাক খুজি সৈন্য আনি অসমত সোমাল। এনেতে বুঢ়াগোহাঁই ডাঙ্গৰীয়াৰ মৃত্যু হল, পুতেক ৰুচিনাথ বুঢ়াগোহাঁই হল। মানৰে সৈতে ৰণ কৰি অসমীয়া সৈন্য হাৰিল। বদনচন্দ্ৰ যোৰহাটলৈ আহিল। ৰুচিনাথ বুঢ়াগোহাঁই গুৱাহাটীলৈ ভাগি গল, চন্দ্ৰকান্তসিংহ ৰজা যোৰহাটতে থাকিল। ৰূপচিং চুৰেদাৰে বদনচন্দ্ৰক কাটিলে।

ৰুচিনাথ গোহাঁয়ে পুৰন্দৰসিংহক সিংহাসনত বহুৱালে, চন্দ্ৰকান্তসিংহক অঙ্গক্ষত কৰিলে। মানে আকৌ অসম আক্ৰমণ কৰিলে, চন্দ্ৰকান্তসিংহ বঙ্গাল দেশলৈ পলাই গল। মানে অসমীয়া প্ৰজাক অত্যাচাৰ কৰিবলৈ ধৰিলে। মানে কোম্পানীৰ ৰাজ্যত সোমাই উপদ্ৰব কৰিবলৈ ধৰাত কোম্পানীৰ সৈন্যই আহি অসম দেশ অধিকাৰ কৰিলে। কেবছৰমানৰ পাছত বৃটিছৰ কৰতলীয়া ৰজা হিচাপে পুৰন্দৰসিংহ মহাৰাজে উজনিখণ্ড অসমৰ শাসনভাৰ পালে। ১৭৬০ শকত পুৰন্দৰসিংহৰ হাতৰপৰা বৃটিছে উজনিখণ্ড নিজৰ শাসনৰ তললৈ আনিলে। তেতিয়াৰেপৰা গোটেই অসম ৰাজ্য কোম্পানীৰ অধীনলৈ আহিল ॥ ছেদ ৩০৩—৩৫৫ ॥

**সপ্তমখন বুৰঞ্জী** ।—বুঢ়াগোহাঁই, বৰপাত্ৰ গোহাঁই, বৰগোহাঁই এই তিনিওজনা ডাঙ্গৰীয়াৰ মৰ্যাদা একে। শদিয়াখোৱা গোহাঁই, সলাল গোহাঁই, মৰঙ্গীয়া গোহাঁই, এই তিনিজনা দাঁতিয়লীয়া গোহাঁয়ে একেদৰে কেকোৰা দোলা, আবোৱান ব্যৱহাৰ কৰিব পাৰে। এওঁলোকৰ মান যাই তিনিজনা ডাঙ্গৰীয়াতকৈ কিছু কম। বৰফুকন আৰু বৰবৰুৱাৰ মৰ্যদা একে। দূৰণি গুৱাহাটীত থকাৰ কাৰণে বৰফুকনৰ ক্ষমতা কিছু বেচি। নিবুকিয়াল ৰাজ-খোৱা আৰু বচা ৰাজখোৱা, এওঁলোক দুয়ো সমান। বাকী চৈধ্যজনা ৰাজখোৱাৰ মৰ্যাদা একে। ফুকনসকল কেৰা ভাগৰো, একে ভাগৰ ফুকনসকলৰ মৰ্য্যদা সমান। সেইদৰে বৰুৱাসকলৰো।

তিনিজনা ডাঙ্গৰীয়া নগৰ সোমালে আগত বিলতীয়া গায়নে গায়, কালীয়াই কালী মাৰে। স্বৰ্গদেৱ হাতীত উঠি যাওঁতে বাটত ডাঙ্গৰীয়া কেজনে লগ পালে ডাঙ্গৰীয়াই হাতীত উঠি স্বৰ্গদেৱক দেখা দিব পায়। বৰবৰুৱা আৰু বৰফুকনে দোলাৰে যাওঁতে তিনিজনা ডাঙ্গৰীয়াক লগ পালে দোলাৰ পৰা

নামি দেখা দিয়ে। স্বৰ্গদেৱৰ কটকী গৈ মাতিলেহে ডাঙৰীয়াসকল নগৰলৈ আহিব পায়। স্বৰ্গদেৱৰ আজ্ঞা নহলে বৰুৱা ফুকন আদিয়ে ডাঙৰীয়াসকলৰ ঘৰলৈ যাব নাপায়।

ৰৰচ'ৰা কেতিয়াও উদং হৈ নেথাকে। ন্যায়সোধা ফুকন সদায় চ'ৰাত বহে। স্বৰ্গদেৱৰ যেনে ইচ্ছা তেনেকৈ অপৰাধীক দণ্ড দিব পাৰে। ডাঙৰীয়াসকলে অপৰাধীক অস্ত্ৰেৰে কাটিব-মাৰিব নোৱাৰে। ডাঙৰীয়াসকলে চকু কাঢ়ে, নাক-কাণ কাটে, আঠুৰ ঘিলা কাঢ়ে। ৰৰবৰুৱায়ে সেইমতে দণ্ড কৰে। চ'ৰাৰ ফুকনে নাক-কাণ কাটিব নোৱাৰে। কোৰ, ঢকা, চমটাৰে চমটিয়াই দণ্ড কৰে। ডাঙৰীয়া, ফুকন, বৰুৱা, হাজৰিকা, শইকীয়া, বৰা, এইসকলক পতাৰ বেলিকা নিৰ্দ্দিষ্ট নিয়ম মানি চলা হয়। ছেদ ৩৫৬—৩৭১।

ইতি "সাতসৰী অসম বুৰঞ্জী" সমাপ্ত॥